জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭/২০২১

<u>নগাঁও জিলাৰ মহা মৃত্যুঞ্জয় মন্দিৰ দৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>

# মহা মৃত্যুঞ্জয় মন্দিৰক এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ পৰিকল্পনা সন্দৰ্ভত আলোচনাত মিলিত হ'ল মুখ্যমন্ত্ৰী ড° শৰ্মা

**দিছপুৰ, ২৬ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ মহা মৃত্যুঞ্জয় মন্দিৰ দৰ্শন কৰে আৰু এই মন্দিৰক জিলাখনৰ এক আকৰ্ষণীয় পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ বাবে জিলাখনৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, বন আৰু লোকনিৰ্মাণ বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে এক বৈঠকত মিলিত হয়। আলোচনাত মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা বিধায়ক জয়ন্তমল্ল বৰুৱা, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীও উপস্থিত থাকে।

বৈঠকত মুখ্যমন্ত্ৰীয়ে মন্দিৰ চৌহদ আটকধুনীয়াকৈ সজাই তোলাৰ লগতে বৃক্ষৰোপণৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সামাজিক বনানীকৰণ বিভাগক নিৰ্দেশ দিয়ে। তেওঁ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মন্দিৰলৈ যোৱা পথটো দুইলেনযুক্ত পথলৈ ৰূপান্তৰিতকৰণৰ আঁচনিখন খৰতকীয়াভাৱে ৰূপায়ণৰ বাবে লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। মন্দিৰ চৌহদত যান-বাহনৰ বাবে পৰ্যাপ্ত পাৰ্কিঙৰ ব্যৱস্থা গঢ়ি তোলাৰ লগতে মন্দিৰমুখী পথছোৱাৰ উপযুক্ত যান-বাহন ব্যৱস্থাপনাৰ দিহা কৰিবলৈও মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে।

আনহাতে, নগাঁও জিলাৰ বামুণীপাহাৰত কিছুদিন পূৰ্বে কেইবাটাও হাতীৰ অস্বাভাৱিক মৃত্যুৰ ঘটনা পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই উক্ত পাহাৰত ব্যাপক বৃক্ষৰোপণ অভিযান হাতত ল'বলৈ বন বিভাগক নিৰ্দেশ দিয়ে। বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত স্থানীয় ৰাইজক এক গুৰুত্বপূৰ্ণ অংশীদাৰ হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত তেওঁলোকৰ কৰ্ম সংস্থাপন তথা আত্মনিয়োজন সৃষ্টিৰ বাবে প্ৰয়োজনীয় কাৰ্যসূচী গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিভাগক কয়।

আলোচনা কালত অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (বন্যপ্ৰাণী) আৰু মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন এম কে যাদৱ, নগাঁৱৰ উপায়ুক্ত কবিতা পদ্মনাভন, আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ, লোকনিৰ্মাণ বিভাগৰ অধীক্ষক অভিযন্তা আৰু কাৰ্যকাৰী অভিযন্তাসকল তথা জিলা বন বিষয়াসকলো উপস্থিত আছিল।

**বীঃগঃ / প্ৰঃকুঃবঃ**
**২৬/০৫/২০২১**